জনসংযোগ, অসম প্ৰেছ বাৰ্তা নংঃ ১৯৯

# জনতাভৱনত নিৰীক্ষণ সজাগতা সপ্তাহ পালন

**দিছপুৰ,** ২৬ অক্টোবৰ ঃ সমগ্ৰ দেশৰ লগতে অসমতো আজি নিৰীক্ষণ সজাগতা সপ্তাহ উপলক্ষে শপত বাক্য পাঠ কৰা হয়। সেই উদ্দেশ্যে জনতাভৱনতো দুনীৰ্তিৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সকলো বিষয়া-কৰ্মচাৰী একত্ৰিত হৈ শপত বাক্য পাঠ কৰে। অনুষ্ঠানত ৰূপান্তৰ আৰু উন্নয়ন, সাংস্কৃতিক পৰিক্ৰমা, পৰ্যটন আদি বিভাগৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে সমূহ বিষয়া-কৰ্মচাৰীক শপত বাক্য পাঠ কৰোৱায়।

**ত্ৰি.হা./প্ৰ.দ /২৬-১০-২০২১**